**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 03-11-2025** **Time :** 1205 Hrs

***Assamese Midday Bulletin***

**-----------------------------**

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱানিশা নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰি ৰাজ্যৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ নতুন দিল্লীৰ চৰকাৰী বাসভৱনত প্ৰায় আধা ঘণ্টা সময় বৈঠকত মিলিত হোৱাৰ সময়ত মুখ্যমন্ত্ৰী ড° শৰ্মাই জুবিন গাৰ্গৰ মৃত্যুক কেন্দ্ৰ কৰি ৰাজ্যত উদ্ভৱ হোৱা পৰিস্থিতি, ছটা জনগোষ্ঠীৰ জনজাতিকৰণকে ধৰি কেইবাটাও প্ৰসংগ উত্থাপন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে এই বৈঠকৰ কথা সামাজিক মাধ্যমযোগে ৰাজহুৱা কৰি কয়, যে অসমৰ বিকাশৰ গতি শক্তিশালী কৰাৰ বাবে শ্ৰীশ্বাহে নিৰলস চেষ্টা চলাই আহিছে। ইপিনে, মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি নতুন দিল্লীত ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ সৈতে ৰাজ্যখনত ৰে'ল সেৱা সম্প্ৰসাৰণৰ লগতে কেইবাটাও বিষয় সন্দৰ্ভত আলোচনা কৰে।

০০০০০০০

স্নাতক উত্তীৰ্ণ যুৱক-যুৱতীসকলক সকাহ দিয়াৰ উদ্দেশ্যে দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ উদ্যোগত আজি মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনিৰ শুভাৰম্ভ কৰা হ'ব। দিছপুৰৰ লোকসেৱা ভৱনত এই উপলক্ষে আজি বিয়লি আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই আঁচনিখন মুকলি কৰিব। অনুষ্ঠানত দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন উপস্থিত থাকিব। এই আঁচনিৰ জৰিয়তে চাকৰিৰ সন্ধানত থকা যুৱক-যুৱতীসকলক বিভিন্ন পৰীক্ষাৰ প্ৰস্তুতি আদিৰ ক্ষেত্ৰত সহায়ক হোৱাকৈ এবছৰলৈ প্ৰতিমাহে দুহেজাৰ ৫০০ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰৰ শিক্ষানুষ্ঠান অথবা ৰাজহুৱা প্ৰতিষ্ঠানৰ পৰা ২০২৫ বৰ্ষত স্নাতক উত্তীৰ্ণ যুৱক-যুৱতীসকলে এই আঁচনিৰ বাবে আবেদন কৰিব পাৰিব। শিক্ষাৰ্থীসকল অসমৰ স্থায়ী বাসিন্দা হ'ব লাগিব।

০০০০০০০

বিশিষ্ট বাঁহীবাদক দীপক শৰ্মাৰ আজি পুৱা চেন্নাইৰ এখন চিকিৎসালয়ত মৃত্যু হয়। অসমৰ সংগীত জগতলৈ অনবদ্য অৱদান আগবঢ়োৱা বাঁহীবাদকগৰাকী দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকাৰ পাছত তেওঁক উন্নত চিকিৎসাৰ বাবে চেন্নাইলৈ নিয়া হৈছিল। শেহতীয়াকৈ শিল্পীগৰাকীৰ স্বাস্থ্যৰ অৱস্থা অধিক জটিল হৈ পৰাৰ পাছত আজি পুৱা ৬ বাজি ১৫ মিনিটত শিল্পীগৰাকীৰ মৃত্যু হয়।

উল্লেখযোগ্য যে নলবাৰী জিলাৰ পানীগাঁৱত জন্মগ্ৰহণ কৰা শিল্পীগৰাকীয়ে গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰাৰ লগতে কলকতাৰ ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ পৰা ইন্‌ষ্ট্ৰুমেণ্টেল মিউজিক বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি সংগীতৰ জগতখনত নিমজ্জিত হৈ পৰিছিল। আকাশবাণীৰ বি-হাইগ্ৰেড লাভ কৰা শিল্পীগৰাকী আকাশবাণী গুৱাহাটীৰ স্বীকৃতিপ্ৰাপ্ত সংগীত পৰিচালকো আছিল। তেওঁ কেইবাখনো অসমীয়া চিনেমাৰ

সংগীত পৰিচালনাও কৰিছিল। ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত খ্যাতি লাভ কৰা শিল্পীগৰাকীৰ মৃত্যুত অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনত শোকৰ ছাঁ পৰিছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন শিল্পীগৰাকীৰ অকাল বিয়োগত মৰ্মাহত বুলি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। বাঁহীৰ লহৰ তুলি অনবদ্য সৃষ্টিৰাজিৰে সাংস্কৃতিক জগতক মহীয়ান কৰা দীপক শৰ্মাৰ বিয়োগ জাতীয় জীৱনৰ বাবে বৃহৎ ক্ষতি বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ সংস্কৃতিৰ সাধকগৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোক-সন্তপ্ত পৰিয়ালক সমবেদনা জ্ঞাপন কৰিছে।

০০০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰাস মহোৎসৱৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। যোৰা এমাহজোৰা আখৰাৰ পাছত শিল্পী, কলা-কুশলীসকলে ৰাস মহোৎসৱৰ শ শ বছৰীয়া পৰম্পৰা পালনৰ বাবে সাজু হৈছে। আজি বৰ আখৰা অনুষ্ঠিত হ'ব। সত্ৰ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলী, লখিমপুৰ, ধেমাজি আৰু নামনি অসমৰ হাউলী, পলাশবাৰী, টিহু, নলবাৰী, পাঠশালা, পাটাছাৰকুছি, তামুলপুৰ, মৰিগাঁৱকে ধৰি বিভিন্ন ঠাইত ৰাস উৎসৱ অনুষ্ঠিত হ'ব।

মাজুলীৰ অৰ্ধ শতাধিক ৰাস মঞ্চত আজি কলা-কুশলীসকলে বৰ আখৰা কৰিব। জিলাখনৰ উত্তৰ-কমলাবাৰী সত্ৰত ৩৫২ বছৰীয়া পৰম্পৰা অক্ষুণ্ণ ৰাখি ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। মহাপুৰুষ শংকৰদেৱৰ অমৰ সৃষ্টি কেলিগোপাল নাটৰ আধাৰত ব্ৰজাৱলী ভাষাত কাইলৈ, পৰহিলৈ আৰু অহা ৬ নৱেম্বৰত কমলাকান্ত আতা ক্ষেত্ৰত ৰাস অনুষ্ঠিত হ'ব। এই ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয় আৰু উত্তৰ কমলাবাৰী শংকৰদেৱ কৃষ্টি সংঘৰ সহযোগত 'মাজুলীৰ ৰাস লীলা, পৰম্পৰা, নান্দনিকতা আৰু প্ৰত্যাহ্বান' শীৰ্ষক এখন আলোচনাচক্ৰৰ আয়োজন কৰা হৈছে। আউনীআটী, চামগুৰি, বেঙেনাআটিকে ধৰি প্ৰায়বোৰ সত্ৰতে শ্ৰীকৃষ্ণৰ ৰাসলীলা উদযাপন কৰা হ'ব। ৰাসৰ পৰিপ্ৰেক্ষিতত ৬ নৱেম্বৰত মাজুলীত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে। জিলাখনত ৰাস মহোৎসৱৰ আয়োজন সন্দৰ্ভত আমাৰ সংবাদদাতা বিকাশ শইকীয়াই এইদৰে কয় –

বাইট (বিকাশ)

নলবাৰীৰ শ্ৰী শ্ৰী হৰি মন্দিৰত অহা ৫ নৱেম্বৰৰ পৰা ১৩ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা। ৰাস মহোৎসৱৰ দ্বিতীয় দিনা অসম প্ৰকাশন পৰিষদৰ উদ্যোগত গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছে। দৰং জিলাৰ দীঘিৰপাৰত ১১ দিনীয়াকৈ ৰাসৰ আয়োজন কৰা হৈছে। গোগামুখৰ লটাক ৰাস মঞ্চত এইবাৰ ৰাস মহোৎসৱৰ সোণালী জয়ন্তী উদযাপন কৰিব।

০০০০০০০

ড° ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যু বাৰ্ষিকী উপলক্ষে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত কামৰূপ মহানগৰ জিলা প্ৰশাসনে পৰহিলৈ এটা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিছে। জালুকবাৰীৰ ড° ভূপেন হাজৰিকা সমন্বয় তীৰ্থত পুৱা ৯ বজাত আৰু লতাশিল খেল পথাৰত দিনৰ ১১ বজাত সুধাকণ্ঠৰ সাংস্কৃতিক অৱদান সুঁৱৰি বিশেষ কাৰ্যসূচী অনুষ্ঠিত হ'ব।

ৰাজ্যৰ বিভিন্ন ঠাইতো পৰহিলৈ ড° ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকী উপলক্ষে ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। তিনিচুকীয়া জিলাত বিষ্ণু-জ্যোতি সাংস্কৃতিক সমাজে সেইদিনা ভূপেন্দ্ৰ সংগীত আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰিছে।

০০০০০০০

নৱী মুম্বাইৰ ড° ডি ৱাই পাটিল স্প'ৰ্টছ্ একাডেমীত যোৱা নিশা অনুষ্ঠিত আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰতে দক্ষিণ আফ্ৰিকাক ৫২ ৰানত পৰাজিত কৰি মহিলা বিশ্বকাপত প্ৰথমটো খিতাপ জয় কৰে। দক্ষিণ আফ্ৰিকাই ২৯৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৪৫ অভাৰ ৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৪৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। লওৱা উলভাৰ্টে সৰ্বাধিক ১০১ ৰান কৰে। ভাৰতৰ দিপ্তী শৰ্মাই ৫টা আৰু শেফালী বাৰ্মাই দুটা উইকেট দখল কৰে। বৰষুণৰ বাবে প্ৰায় দুঘণ্টা পলমকৈ আৰম্ভ হোৱা খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত ৭ উইকেটৰ বিনিময়ত ২৯৮ ৰান সংগ্ৰহ কৰে। শেফালী বাৰ্মাই সৰ্বাধিক ৮৭ আৰু দিপ্তী শৰ্মাই ৫৮ ৰান কৰে। দক্ষিণ আফ্ৰিকাৰ আয়াবোংগা খাকাই তিনিটা উইকেট লাভ কৰে। শেফালী বাৰ্মাক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। বিশ্বকাপ জয়ী দলটোৰ অন্যতম সদস্য আছিল অসমৰ উমা চেত্ৰীও।

উল্লেখযোগ্য যে ভাৰতে ইয়াৰ পূৰ্বে ২০05 আৰু ২০১৭ চনত অনুষ্ঠিত বিশ্বকাপৰ ফাইনেলত প্ৰৱেশ কৰিছিল।

০০০০০০০

**সমাপ্ত**